# 'বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য...'

*এক লিপিৰ পৰা* সৃষ্টিৰাজি, জীৱন আৰু দৰ্শন। এই উপলক্ষে আজিৰে পৰা নতুন দিল্লীত দুদিনীয়া কাৰ্যসূচীৰে আয়োজন কৰা হৈছে এক বিশেষ কাৰ্যসূচীৰ। আজি প্ৰথম দিনটোত সাহিত্য অকাদেমিৰ সভাপতি ড° মাধৱ কৌশিকৰ সভাপতিত্বত অনুষ্ঠিত আলোচনা-চক্ৰৰ উদ্বোধনী অধিৱেশনত বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ কন্যা জুৰি ভট্টাচাৰ্য উপস্থিত থাকে। অনুষ্ঠানত অধ্যাপক প্ৰদীপজ্যোতি মহন্তৰ লগতে সাহিত্য অকাদেমিৰ অসমীয়া পৰামৰ্শদাতা ব'ৰ্ডৰ আহ্বায়ক দিগন্ত বিশ্ব শৰ্মাই আলোচনা-চক্ৰত ভাষণ আগবঢ়ায়। সাদৰণী ভাষণ দিয়ে সাহিত্য অকাদেমিৰ উপ-সভাপতি অধ্যাপক কুমুদ শৰ্মাই। সাহিত্য অকাদেমিৰ সচিব ড° কে শ্ৰীনিৱাস ৰাৱে অংশগ্ৰহণকাৰীসকলক আদৰণি জনাই অকাদেমিয়ে প্ৰকাশ কৰা গ্ৰন্থেৰে সম্বৰ্ধনা জনায়। আদৰণি ভাষণত তেওঁ কয় যে বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য আধুনিক ভাৰতৰ এজন বিশিষ্ট সাহিত্যিক আছিল, যিয়ে অসমৰ নৱ প্ৰজন্মক প্ৰভাৱিত কৰিছিল। বামধেনু আলোচনীৰ জৰিয়তে ভট্টাচাৰ্যই অসমত এক নতুন প্ৰজন্মৰ সাহিত্যিক সৃষ্টি কৰি অসমৰ সাহিত্য জগতখনৰ পৰিৱেশ সম্পূৰ্ণৰূপে সলনি কৰি দিছিল। সাহিত্য অকাদেমিৰ উপ-সভাপতি আৰু সভাপতি হৈ থকাৰ সময়ত তেওঁ অকাদেমিত কেইবাখনো নতুন কৰ্ম আঁচনি আৰম্ভ কৰিছিল। আনহাতে, ড° মাধৱ কৌশিকে কয় যে প্ৰয়াত ভট্টাচাৰ্য কেৱল অসমৰেই নহয়, দেশৰ এগৰাকী উৎকৃষ্ট সাহিত্যস্ৰষ্টা আছিল। তেওঁৰ সৃষ্টি আছিল অতুলনীয়। উত্তৰ-পূৰ্বাঞ্চলৰ সাহিত্যক ৰাষ্ট্ৰীয় পৰ্যায়লৈ অনাৰ কৃতিত্ব ভট্টাচাৰ্যক দিয়া উচিত। কেৱল অসমীয়া সাহিত্যই নহয়, উত্তৰ-পূৰ্বাঞ্চলৰ অন্যান্য ভাষাৰ সাহিত্যতো তেওঁৰ প্ৰভাৱ আছে। ইফালে ভাষণত দিগন্ত বিশ্ব শৰ্মাই কয় যে বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য আধুনিক অসমীয়া সাহিত্যৰ সৃষ্টিকৰ্তা আছিল। তেওঁ নতুন সাহিত্যিকৰ বাবে প্ৰেৰণাদায়ক। আনহাতে, জুৰি ভট্টাচাৰ্যই কয় যে তেওঁৰ পিতৃয়ে স্বাধীনতা আন্দোলনত সক্ৰিয় অংশগ্ৰহণ কৰিছিল, যাৰ বাবে তেওঁৰ লেখাত সাধাৰণ জনতাৰ সমস্যাৰ কথা প্ৰতিফলিত হয়। নগা মানুহৰ সমস্যাক লৈ ৰচিত তেওঁৰ উপন্যাস 'ইয়াৰুইংগম' ইয়াৰ অন্যতম উদাহৰণ। ইফালে প্ৰদীপজ্যোতি মহন্তই কয় যে ভট্টাচাৰ্যৰ লেখাসমূহ স্থানীয় তথা সামাজিক বিষয়ৰ সৈতে জড়িত হৈ আছিল। সাহিত্যৰ জৰিয়তে তেওঁ সমগ্ৰ সমাজখনক অন্ধকাৰৰ পৰা পোহৰলৈ আনিছিল। তেওঁৰ সাহিত্যিক কেনভাছ ইমানেই বৃহৎ যে সমাজৰ কোনো সমস্যা বা সংগ্ৰাম ইয়াৰ পৰা আঁতৰি নাথাকে। আনহাতে, অধ্যাপক কুমুদ শৰ্মাই সাদৰণী ভাষণত কয় যে বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই অসমৰ ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক পৰিস্থিতি অতি নিবিড়ভাৱে বুজি পাইছিল। যিবোৰ কথা তেওঁ লেখাৰ জৰিয়তে পাঠকৰ ওচৰলৈ লৈ গৈছিল। আজিৰ প্ৰথম অধিৱেশন বিশ্বাস পাটিল আৰু কুলধৰ শইকীয়াৰ অধ্যক্ষতাত অনুষ্ঠিত হয়। এই অনুষ্ঠানত ড° মল্লোত্তমা দাসে ভাষণ প্ৰদান কৰে। আনহাতে, অধ্যাপক কৰবী ডেকা হাজৰিকাৰ অধ্যক্ষতাত অনুষ্ঠিত দ্বিতীয় অধিৱেশনত বিনীতা বৰা দেব চৌধুৰী, মলয়া খাউণ্ড আৰু ময়ূৰ বৰাই নিজৰ ভাষণ পাঠ কৰে।